আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, FEBRUARY 04, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩৮ Guwahati, Assam ।। মূল্যঃ এটকা




খানাপাৰাত একাধিক আঁচনিৰ আধাৰশিলা মুকলিৰ মুহূৰ্তত প্ৰধানমন্ত্ৰী, দেওবাৰে

## যান-জঁটত স্তব্ধ গুৱাহাটী মহানগৰী

### নিশাও আৱদ্ধ বহু বাহন



**ই-সংবাদ, ৪ ফেব্ৰুৱাৰীঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ খানাপাৰাৰ সভাৰ বাবে গুৱাহাটী মহানগৰীৰ লগতে কেইবাটাও এলেকা আজি স্তব্ধ হৈ পৰিল৷ বিভিন্ন প্ৰান্তৰ পৰা বাছ যোগে নৰেন্দ্ৰ মোদীৰ শেষাংশ ২ পৃষ্ঠাত

## মুকলি কৰিলে ১১,৫৯৯ কোটি টকাৰ আঁচনিৰ আধাৰশিলা

# উত্তৰ-পূৱত এতিয়া শান্তিয়েই শান্তিঃ মোদী*

## ৩ বছৰে অসমত আন্দোলন নাই বুলি দাবী মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ৪ ফেব্ৰুৱাৰীঃ** খানাপাৰাত অনুষ্ঠিত প্ৰধানমন্ত্ৰীৰ বিশাল জনসভাত অসমৰ উন্নয়নৰ ঢাক-ঢোল বজোৱাৰ ব্যস্ত হৈ পৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ কৃতজ্ঞতা প্ৰকাশ কৰি শেষাংশ ২ পৃষ্ঠাত

**ই-সংবাদ, ৪ ফেব্ৰুৱাৰীঃ** প্ৰধানমন্ত্ৰী মোদীৰ মতে এতিয়া উত্তৰ-পূৱত শান্তিয়েই শান্তি। বিগত ৯ মাহ ধৰি হিংসাৰ জুইত জ্বলি থকা মণিপুৰৰ ৰাজধানীৰ পৰা ৪৫০ কিলোমিটাৰ নিলগত বিশাল জনসভা সম্বোধন কৰি উত্তৰ-পূৰ্বাঞ্চলত স্থায়ী শান্তি বিৰাজমান হৈ থকাৰ দাবী কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। গুৱাহাটীৰ খানাপাৰাত প্ৰায় ডেৰ লক্ষ জনতাৰ সন্মুখত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে শেষাংশ ৩ পৃষ্ঠাত



* ‘ধৰা হ’ল এঘণ্টাৰ বাবে মণিপুৰ উত্তৰ-পূৱত নাছিল!’

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যান-জঁটত স্তব্ধ গুৱাহাটী

সভাৰ বাবে মানুহ কঢ়িয়াই অনাৰ ফলত সমগ্ৰ গুৱাহাটী স্তব্ধ হৈ পৰে৷ কেইবা হাজাৰ লোকক কঢ়িয়াই আনিবলৈ গুৱাহাটী মহানগৰীত কেইবা শ যাত্ৰীবাহী বাছ আৰু আন আন সৰু গাড়ী প্ৰৱেশ কৰাত গুৱাহাটী স্তব্ধ হৈ পৰে৷ ইপিনে শনিবাৰে নিশাৰে পৰা উজনি-নামনি অসমৰ পৰা গুৱাহাটী অভিমুখে কেইবা শ বাছে যাত্ৰা আৰম্ভ কৰিছিল৷ বিজেপিৰ প্ৰতিগৰাকী বিধায়ক, মন্ত্ৰী, জিলাসমিতি সমূহে বাছসমূহ ভাড়া কৰি জিলাসমূহৰ লোকক গুৱাহাটীলৈ আনিছিল৷ শনিবাৰে পুৱতি নিশাৰ পৰা বাইহাটা চাৰিআলি-জালুকবাৰী পথ, জালুকবাৰী-বিমানবন্দৰ সংযোগী পথ, মৰিগাঁও-গুৱাহাটী সংযোগী পথত তীব্ৰ যান-জঁটৰ সৃষ্টি হয়৷ তেনেদৰে গুৱাহাটী মহানগৰীৰ গণেশগুৰি, ছয়মাইল, জয়ানগৰ, বেলতলা, ভেটাপাৰা, খানাপাৰা, বশিষ্ঠ, লখৰা, জালুকবাৰী আদি এলেকাত তীব্ৰ যান-জঁট লাগে৷ ফলত ঘণ্টাৰ পাছত ঘণ্টা ধৰি বোন্দাপাৰ দি থাকিবলগীয়া পথচাৰী৷ বহু লোকে পথৰ ওপৰতে গাড়ী ৰখাই হা-হুমুনিয়া কাঢ়ি পাৰ কৰিবলগীয়া হয়৷ আনহাতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত যাত্ৰীবাহী বাছৰ অভাৱ দেখা পৰিলক্ষিত হয়৷ সমগ্ৰ অসমৰ বেছিখিনি যাত্ৰাবাহী বাছ বিজেপিৰ সভালৈ মানুহ আনিবলৈ ব্যৱহাৰ কৰাত ব্যাপক সমস্যাত পৰে যাত্ৰী৷ ৰাজ্যৰ বিভিন্ন প্ৰান্তত বাছস্থানত যাত্ৰীসকলে থিয় দি থাকিবলগীয়া হয়৷ দেওবাৰৰ দিনটোত কেৱল গুৱাহাটীতে নহয় গুৱাহাটীৰ আশ-পাশৰ কেইবাটাও এলেকাত বৃহৎ যান-জঁটৰ সৃষ্টি কৰিলে নৰেন্দ্ৰ মোদীৰ সভাই৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩ বছৰে অসমত আন্দোলন

বিজেপি চৰকাৰৰ কাৰ্যকালত অসমত হোৱা উন্নয়নৰ আখ্যান শুনায় মুখ্যমন্ত্ৰী শৰ্মাই। আনহাতে আজিৰ দিনটো অৰ্থাৎ ৪ ফেব্ৰুৱাৰীৰ দিনটো অসমৰ ইতিহাসৰ এটা সোণালী দিন বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে ১১,৬০০ কোটি টকাৰ কেইবাটাও আধাৰশিলা স্থাপন হোৱা এই ঐতিহাসিক দিনটোক অসমবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমক উন্নয়নৰ নতুন দিগন্তৰ দিশে লৈ যোৱা বুলি দাবী কৰে হিমন্ত বিশ্ব শৰ্মাই৷ আনহাতে যোৱা তিনি বছৰ ধৰি অসম কোনো আন্দোলন হোৱা নাই বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এতিয়া কেইবাটাও উগ্ৰপন্থী সংগঠনে অস্ত্ৰ এৰি মূলসুঁতিলৈ আহিছে। প্ৰধানমন্ত্ৰী মোদীৰ দিহা-নিৰ্দেশনা আৰু নেতৃত্বত ৰাজ্যখনৰ সকলো ক্ষেত্ৰতে বিকাশ ঘটিছে। প্ৰথমবাৰৰ বাবে ৰাজ্যত এদিনতে ১১,৬০০ কোটি টকাৰ কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ হোৱাৰ কথা দোহাৰি শৰ্মাই কয় যে ইয়াৰ বাবে ৪ ফেব্ৰুৱাৰীৰ দিনটো অসমৰ জনসাধাৰণৰ বাবে এক ঐতিহাসিক দিন হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰীয়ে অসমৰ উন্নয়নৰ খতিয়ান দি কয় যে ২৩ খন চিকিৎসা মহাবিদ্যালয়, কাজিৰঙাৰ এলিভেটেড কৰিডৰ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উন্নয়নয়, কৰ্কট চিকিৎসালয়, ঘাইপথ, দলং, ১ লাখ চাকৰি প্ৰদান, বিনামূলীয়া চাউল আৰু নতুন প্ৰকল্পসমূহে ৰাজ্যৰ দৃশ্যপট সলনি কৰিব৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সাফল্যৰ জয়গান গাই মুখ্যমন্ত্ৰীয়ে আৰু কয় যে আলফা, বড়ো বিদ্ৰোহী, কাৰ্বি, ডিমাচা আৰু আদিবাসী বিদ্ৰোহীৰ সৈতে শান্তি চুক্তি কৰা হৈছে। গুলী আৰু বোমাৰ দ্বাৰা বহু বছৰৰ অস্থিৰতাৰ অন্তত অসমলৈ শান্তি ঘূৰি আহিছে। অসম সংঘাতৰ ছাঁয়াৰ পৰা উন্নয়নৰ আলোকলৈ পৰিৱৰ্তন ঘটিছে। হাজাৰ হাজাৰ যুৱক-যুৱতীয়ে সন্ত্ৰাসৰ পথ এৰি মূলসুঁতিলৈ আহিছে৷ মূলসুঁতি অহাটো অসম স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাৰ প্ৰতীক বিবেচিত হৈছে। নৰেন্দ্ৰ মোদীয়ে আজি খানাপাৰা ফিল্ডত ১১,৫৯৯ কোটি টকাৰ আঁচনিৰ আধাৰশিলা স্থাপন কৰে৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪৯৮ কোটি টকাৰ মা কামাখ্যা দিব্যলোক পৰিযোজনা, ৩৫৮ কোটি টকাৰ বিমান বন্দৰ সংযোগী পথ, ৩,৪৪৪ কোটি টকাৰ ৩৮ খন দলং আৰু ৪৩টা পথ, ৮৩১ কোটি টকাৰে নেহেৰু ষ্টেডিয়ামক উন্নীকৰণ, ৩০০ কোটি টকাৰে চন্দ্ৰপুৰ ষ্টেডিয়াম, ৩,২৫০ কোটি টকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন, ৫৭৮ কোটি টকাৰে কৰিমগঞ্জ চিকিৎসা মহাবিদ্যালয় আৰু ২৯৭ কোটি টকাৰে ইউনিটি মল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে৷ ১,৪৫১ কোটি টকাৰ বিশ্বনাথ চাৰিআলি-গহপুৰ সংযোগী পথ আৰু দলীবাৰী-জামুগুৰি পথ চাৰিলেনযুক্ত পথৰো আধাৰশিলা স্থাপন কৰে প্ৰধানমন্ত্ৰীয়ে৷ শনিবাৰে সন্ধিয়া প্ৰায় ৬ বজাত নৰেন্দ্ৰ মোদী গুৱাহাটীত উপস্থিত হৈছিল৷ তাৰ পাছতে খানাপাৰাত উপস্থিত হোৱাত বিজেপিৰ নেতা-কৰ্মী, সমৰ্থকে প্ৰায় এক লাখ বন্তি প্ৰজ্বলন কৰে। নিশা কইনাধাৰাৰ ৰাজ্যিক অতিথিশালত বিজেপিৰ ৰাজ্যিক ক'ৰ সমিতিৰে বৈঠক অনুষ্ঠিত কৰিছিল৷

# অপেনাৰৰ দৃঢ়তাৰে কানপুৰত ড্ৰ'ৰ দিশে অসম

**কানপুৰ, ৪ ফেব্ৰুৱাৰীঃ** দুই অপেনাৰৰ শতৰানৰ সহায়ত ৰঞ্জি ট্ৰফিৰ গ্ৰুপ 'বি'ৰ গুৰুত্বপূৰ্ণ মেছত উত্তৰ প্ৰদেশৰ বিৰুদ্ধে ড্ৰ'ৰ দিশে আগবাঢ়িছে অসম। উত্তৰ প্ৰদেশৰ প্ৰথম ইনিংছৰ বিশাল ৫৪৮ ৰানৰ উত্তৰত অসমে তৃতীয় দিনৰ অন্তত দুই উইকেট হেৰুৱাই সংগ্ৰহ কৰিছে ৩১৬ ৰান। এটা দিনৰ খেল বাকী থকা অৱস্থাত আঠটা উইকেট অক্ষত থকা অসম এতিয়াও ২৩২ ৰানত পিছ পৰি আছে। অসমৰ এই দৃঢ়তাৰ মূলতে হ'ল দুই অপেনাৰ পাৰভেজ মুছাৰফ (১২৯) আৰু ৰাহুল হাজৰিকাৰ (১২৮) শতৰান। কালিৰ বিনা উইকেটত ১১৬ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি দুয়ো শতৰান কৰাৰ লগতে দলৰ স্থিতি দৃঢ় কৰে। তৃতীয় দিনৰ অন্তত দুই উইকেট হেৰুৱাই ১১৩ অভাৰত ৩১৬ ৰান কৰে অসমে। দিনান্তত অভিষেক ঠাকুৰীয়ে ১৯ আৰু ঋষভ দাসে চাৰি ৰান কৰি ক্ৰিজত আছে।কানপুৰত প্ৰথম শ্ৰেণী ক্ৰিকেটত অভিষেক ঘটা মুছাৰফ হৈছে অভিষেকত শতক অৰ্জন কৰা তৃতীয় অসমীয়া ক্ৰিকেটাৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰ-পূবত এতিয়া শান্তিয়েই শান্তি

সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰাৰ কথা উল্লেখ কৰিলে যদিও মণিপুৰক লৈ এটা শব্দও নোলাল প্ৰধানমন্ত্ৰীৰ মুখৰ পৰা। গুৱাহাটীত বিশাল জনসভাত অংশ লৈ উন্নয়ন, শান্তি, প্ৰগতিৰ কথা ক'লেও হিংসা জৰ্জৰিত মণিপুৰক লৈ মৌনব্ৰত ধাৰণ কৰা দেখা গ'ল প্ৰধানমন্ত্ৰী মোদীক। উল্লেখ্য যে, বিগত ৮ মাহ ধৰি মণিপুৰৰ দুটা মূল সম্প্ৰদায় কুকি আৰু মেইটেইৰ মাজত সংঘটিত গোষ্ঠীগত সংঘাতে ৰক্তাক্ত ৰূপ ধাৰণ কৰি ইতিমধ্যে প্ৰাণ কাঢ়িছে দুই শতাধিক লোকৰ। এই সংঘাতপূৰ্ণ পৰিস্থিতিত উত্তৰ-পূবৰ লক্ষাধিক লোক গৃহহাৰা হোৱাৰ লগতে মন্দিৰ, গীৰ্জা, গাড়ী, ঘৰ আদিৰ বিস্তৰ ক্ষতিসাধন হৈছে। মণিপুৰৰ এনে বিষম পৰিস্থিতিৰ পিছতো এবাৰলৈ ৰাজ্যখনলৈ যাবলৈ সময় নোপোৱা প্ৰধানমন্ত্ৰী মোদীয়ে পিছে ঠিকেই ভ্ৰমণ কৰি আছে উত্তৰ-পূবৰ আন সাতোখন ৰাজ্য। যাৰ বাবে সদনৰ বাহিৰে-ভিতৰে বিৰোধীৰ তীব্ৰ আক্ৰমণৰো বলি হৈছে তেওঁ। তাৰ মাজতে আজি মণিপুৰৰ পৰা মাথো ৪৫০ কিলোমিটাৰ নিলগত নৰেন্দ্ৰ মোদীয়ে কয় যে উত্তৰ-পূৰ্বাঞ্চলত এতিয়া শান্তি বিৰাজমান। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰামেশ্বৰ তেলী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত গুৱাহাটীৰ খানাপাৰাত ফিল্ডত বিশাল গণ সমাৰেশ সম্বোধন কৰে। ভাষণত নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলত স্থায়ী শান্তিৰ কথা দোহাৰে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো জিলাৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন আঁতৰোৱা হৈছে। উত্তৰ-পূব এতিয়া শান্তিপূৰ্ণ আৰু অসমৰ ৭০০০ তকৈও অধিক যুৱকে হিংসাৰ পথ পৰিহাৰ কৰি মূলসুঁতিত অহা বুলিও কয় মোদীয়ে। গুৱাহাটীত উদাত্ত কণ্ঠে মোদীয়ে কয় যে উত্তৰ-পূবত এতিয়া শান্তি আৰু বিকাশৰ যুগ চলিছে। ৭,০০০ তকৈও অধিক যুৱকে অস্ত্ৰ এৰি দেশৰ প্ৰগতিৰ বাবে কাম কৰাৰ প্ৰতিজ্ঞা লৈছে। সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন কেইবাটাও অঞ্চলৰ পৰা আঁতৰোৱা হৈছে। আগতে ব্যাপক হিংসাত্মক ঘটনা সংঘটিত হোৱা অঞ্চলসমূহত এতিয়া মানুহৰ সপোন আৰু আশা পূৰণ কৰা হৈছে। চৰকাৰে সেইসকল মানুহৰ আশা-আকাংক্ষাৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছে। প্ৰধানমন্ত্ৰীয়ে এখন দেশে সৰু লক্ষ্যৰে আগবাঢ়িব নোৱাৰে বুলি কৈ কংগ্ৰেছ চৰকাৰক তীব্ৰ আক্ৰমণ কৰি কয় যে পূৰ্বৰ চৰকাৰসমূহে ডাঙৰ লক্ষ্য নিৰ্ধাৰণ কৰিব নোৱাৰিলে। প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱাৰিলে। আমি এতিয়া পূৰ্বৰ চৰকাৰসমূহৰ মানসিকতাও সলনি কৰিছো। আজি সমাৰেশত প্ৰধানমন্ত্ৰীয়ে অসমৰ বাবে ১১,৬০০ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা মুকলি কৰে। এই প্ৰকল্পসমূহে যাতায়ত, চাকৰিৰ সুযোগ সৃষ্টি, ক্ৰীড়াত অংশগ্ৰহণ বৃদ্ধি কৰিব বুলি আশা কৰে মোদীয়ে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে ২০১৪ চনৰ আগৰ ১০ বছৰত যিমান ব্যয় কৰিছিল, 'ডাবল ইঞ্জিন' চৰকাৰে এবছৰত উত্তৰ-পূবত তাতকৈ অধিক ধন ব্যয় কৰা বুলিও দাবী কৰিছে মোদীয়ে। মোদীয়ে কয় যে পূৰ্বৰ চৰকাৰে উত্তৰ-পূবৰ আন্তঃগাঁথনিৰ বাবে ১২ লাখ কোটি টকা ব্যয় কৰিছিল। কেন্দ্ৰৰ বিজেপি চৰকাৰে অহা এবছৰত একে পৰিমাণৰ ধন ব্যয় কৰিছে। যোৱা দহ বছৰত এনডিএ চৰকাৰে উত্তৰ-পূবত কল্যাণমূলক ব্যয় চাৰিগুণ বৃদ্ধি কৰিছে। ৰে'ল বাজেট ৪০০ শতাংশ বৃদ্ধি পাইছে আৰু পৰ্যটনৰো পৰিৱৰ্তন বহুগুণে বৃদ্ধি পাইছে। অসমৰ চিকিৎসা মহাবিদ্যালয় পূৰ্বে ছয়খন আছিল, এনডিএ চৰকাৰ অহাৰ পাছতে এই সংখ্যা ১২ খনলৈ বৃদ্ধি পাইছে। স্বাস্থ্য আন্তঃগাঁথনি উন্নীতকৰণৰ লগে লগে অসম উত্তৰ-পূব অঞ্চলত কৰ্কট ৰোগৰ চিকিৎসাৰ কেন্দ্ৰ হৈ পৰিছে। সমগ্ৰ দেশতে 'লাখপতি বাইদেউ' মহিলাৰ সংখ্যা ২ কোটিৰ পৰা ৩ কোটিলৈ উন্নীত কৰা হৈছে। যোৱা এবছৰত সমগ্ৰ দেশতে এক কোটি লাখপতি বাইদেউৰ সৃষ্টি কৰা হৈছে। ফলত অহা বছৰৰ বাবে তেওঁলোকৰ লক্ষ্য বৃদ্ধি কৰিবলৈ প্ৰেৰিত কৰা হৈছে। অসমত পৰ্যটন বৃদ্ধিৰ  লক্ষ্যৰে কামাখ্যা দিব্যলোক পৰিযোজনা হাতত লোৱা বুলিও উল্লেখ কৰে নৰেন্দ্ৰ মোদীয়ে। কামাখ্যা কৰিডৰ সম্পূৰ্ণ হোৱাৰ পাছতে মন্দিৰলৈ অহা পৰ্যটকৰ সংখ্যা বৃদ্ধি পাব আৰু স্থানীয় লোকসকলৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰিব বুলিও মন্তব্য কৰে মোদীয়ে। ইফালে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনত ৰাজ্য চৰকাৰ তথা বিজেপি দলৰ নেতা-কৰ্মী বিশেষভাৱে তৎপৰ হৈ পৰা দেখা যায়। নৰেন্দ্ৰ মোদীয়ে আজি খানাপাৰা খেলপথাৰৰ পৰা ১১,৫৯৯ কোটি টকাৰ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। এই আধাৰশিলাত কামাখ্যা কৰিডৰো আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪৯৮ কোটি টকাৰ মা কামাখ্যা দিব্যলোক পৰিযোজনা, ৩৫৮ কোটি টকাৰ বিমান বন্দৰ সংযোগী পথ, ৩,৪৪৪ কোটি টকাৰ ৩৮ খন দলং আৰু ৪৩টা পথ, ৮৩১ কোটি টকাৰে নেহেৰু ষ্টেডিয়ামক উন্নীতকৰণ, ৩০০ কোটি টকাৰে চন্দ্ৰপুৰ ষ্টেডিয়াম, ৩,২৫০ কোটি টকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন, ৫৭৮ কোটি টকাৰে কৰিমগঞ্জ চিকিৎসা মহাবিদ্যালয় আৰু ২৯৭ কোটি টকাৰে ইউনিটি মল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ১,৪৫১ কোটি টকাৰ বিশ্বনাথ চাৰিআলি-গহপুৰ সংযোগী পথ আৰু দলীবাৰী-জামুগুৰি পথ চাৰিলেনযুক্ত পথৰো আধাৰশিলা স্থাপন কৰে প্ৰধানমন্ত্ৰীয়ে। শনিবাৰে সন্ধিয়া প্ৰায় ৬ বজাত নৰেন্দ্ৰ মোদী গুৱাহাটীত উপস্থিত হৈছিল। তাৰ পাছতে খানাপাৰাত উপস্থিত হোৱাত বিজেপিৰ নেতা-কৰ্মী, সমৰ্থকে প্ৰায় এক লাখ বন্তি প্ৰজ্বলন কৰি প্ৰধানমন্ত্ৰীক আদৰণি জনায়। নিশা কইনাধাৰাৰ ৰাজ্যিক অতিথিশালত বিজেপিৰ ৰাজ্যিক ক'ৰ সমিতিৰে বৈঠক অনুষ্ঠিত কৰে মোদীয়ে। ইফালে লোকসভা নিৰ্বাচনৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণক লৈ বিজেপিৰ নেতা-কৰ্মীসকল বিশেষভাৱে উৎসাহী হৈ পৰা পৰিলক্ষিত হয়।

# পাকিস্তানৰ হৈ চোৰাংচোৱাগিৰি! ভাৰতীয় দূতাবাসৰ কৰ্মচাৰীক গ্ৰেপ্তাৰ

## আইএছআইক প্ৰতিৰক্ষা বিভাগৰ তথ্য দি আহিছিল সত্যেন্দ্ৰ চিৱালে

**মস্কো, ৪ ফেব্ৰুৱাৰীঃ** ৰাছিয়াৰ মস্কোত থকা ভাৰতীয় দূতাবাসৰ এজন কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে উত্তৰ প্ৰদেশ আৰক্ষীৰ সন্ত্ৰাস বিৰোধী গোটে৷ পাকিস্তানৰ চোৰাংচোৰা সংস্থা আই.এছ.আইৰ হৈ চোৰাংচোৱাগিৰি কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা কৰ্মচাৰীজন সতেন্দ্ৰ চিৱাল বুলি জানিব পৰা গৈছে৷ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ত মাল্টি টাস্কিং ষ্টাফ (এমটিএছ) হিচাপে কাম কৰি আছিল সতেন্দ্ৰ চিৱাল। এটিএছে গোপনীয় উৎসৰ পৰা তথ্য লাভ কৰি চোৰাংচোৱাৰ বিষয়টো পোহৰলৈ  আনিবলৈ সক্ষম হয়৷ ভাৰতীয় সেনা সম্পৰ্কীয় সংবেদনশীল তথ্যৰ বিনিময়ত বিত্তীয় সহায় প্ৰদান কৰি আইএছআই-এ ভাৰতীয় বৈদেশিক মন্ত্ৰালয়ৰ কৰ্মচাৰীজনক প্ৰলোভিত কৰিছিল। মস্কোৰ ভাৰতীয় দূতাবাসত পদবীৰ সুযোগ লৈ শ্ৰেণীবদ্ধ নথিপত্ৰ আহৰণ কৰি আছিল।



ভাৰতৰ আভ্যন্তৰীণ আৰু বাহ্যিক সুৰক্ষাৰ বাবে এক গুৰুতৰ ভাবুকি বুলি কোৱা হৈছে। ধনৰ প্ৰলোভনত পৰি অভিযুক্তই প্ৰতিৰক্ষা মন্ত্ৰালয়, বৈদেশিক পৰিক্ৰমা আৰু ভাৰতীয় সামৰিক প্ৰতিষ্ঠানৰ কৌশলগত কাৰ্যকলাপ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ তথ্য আইএছআইক প্ৰেৰণ কৰিছিল৷ হাপুৰৰ শ্বাহমাহিদ্দিনপুৰ গাঁৱৰ বাসিন্দা সতেন্দ্ৰ চিৱালক চোৰাংচোৰা নেটৱৰ্কৰ মুখ্য খেলুৱৈ হিচাপে চিনাক্ত কৰা হৈছে। গ্ৰেপ্তাৰৰ পাছতে সাতেন্দ্ৰ চিৱালক সোধা-পোছাৰ বাবে মিৰাটৰ এটিএছ ফিল্ড ইউনিটলৈ অনা হৈছে। প্ৰশ্নৰ সময়ত সন্তোষজনক উত্তৰ দিয়া নাই বুলি অভিযোগ উঠিছে। অৱশেষত চোৰাংচোৰা কাৰ্যকলাপত জড়িত থকাৰ কথা স্বীকাৰ কৰিছিল। চিৱালে ২০২১ চনৰ পৰা মস্কোত ভাৰতীয় দূতাবাসত ভাৰত-ভিত্তিক নিৰাপত্তা সহায়ক হিচাপে কাম কৰি আছে। ভাৰতীয় দণ্ডবিধিৰ দেশৰ বিৰুদ্ধে অপৰাধমূলক ষড়যন্ত্ৰৰ ধাৰা 121এ অধীনত এজাহাৰ পঞ্জীয়ন কৰা হৈছে।

# হিন্দু-মুছলমান মিলাপ্ৰীতিৰে থাকিলেহে দেশ আগবাঢ়িবঃ খালেক

**ই-সংবাদ, ৪ ফেব্ৰুৱাৰীঃ** গোৱালপাৰাৰ চুনাৰী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বৰ্ণিল কাৰ্যসূচীৰে অসম চৰ পৰিষদৰ চতুৰ্থ বাৰ্ষিক অধিবেশনৰ সামৰণি পৰে৷ অধিবেশনত প্ৰতিনিধি সভা, মুকলিসভা, লাঠি খেল প্ৰদৰ্শন, পত্ৰিকা ‘কঁহুৱা’ উন্মোচন কৰা হয়৷ শেষ দিনটোত বিদায়ী সভাপতি ডঃ আব্দুল ওহাবৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়৷ সভাত বিভিন্ন জিলাৰ প্ৰতিনিধি তথা বিশিষ্ট ব্যক্তিক ফুলাম গামোচা, জাপিৰে আদৰণি জনোৱা হয়৷ পৰিষদৰ পত্ৰিকা ‘কঁহুৱা’ উন্মোচন কৰে কলকাতাৰ পৰা অহা বাহাৰুদ্দিনে৷ সমাজকৰ্মী তথা আদৰণি সমিতিৰ সভাপতি আব্দুল কাদেৰ খণ্ডকাৰে উদ্বোধন কৰা সভাত গাজীবৰ ৰহমানে চৰ অঞ্চলৰ আৰ্থ-সামাজিক তথা আহুকলীয়া সমস্যাবোৰ সমাধানৰ বাবে চৰ পৰিষদ গঠন কৰা হৈছে বুলি কয়। সভাত গোৱালপাৰা পশ্চিম সমষ্টিৰ বিধায়ক আব্দুৰ ৰছিদ মণ্ডলে কয় যে ৰাইজ লগত নাথাকিলে অকল বিধায়ক এজনে সকলো সমস্যা সমাধান কৰিব নোৱাৰে। সভাত বৰপেটাৰ সাংসদ আব্দুল খালেকে কয় যে আলফ চৰকাৰ শান্তি চুক্তি হোৱাটো আমিও বিচাৰো৷ এই চুক্তিৰ দ্বাৰা যাতে কোনো পক্ষৰ ক্ষতি নহয়। বৰ্তমান চুক্তিত এনে এটা কথা আছে যে ম্যাদী পাট্টা মাটি পুনৰ চৰ উঠিলে সেই মাটি খাচ কৰা হ’ব৷ জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ চৰাঞ্চলত উন্নত মানৰ চিকিৎসালয় প্ৰয়োজন বুলিও কয় খালেকে। অসমৰ মুখ্যমন্ত্ৰীজনে মুছলমান মানুহক ঘৃণা আৰু অত্যাচাৰ কৰে অথচ আমাৰ এজন সিংহ পুৰুষৰ ভাতৃ এজনে মুখ্যমন্ত্ৰীক অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী বুলি দাবী কৰে৷ হিন্দু আৰএছএছে মুছলমানক অত্যাচাৰ কৰাৰ বুলি কৈ খালেকে আৰু কয় যে হিন্দু-মুছলমানে প্ৰীতিৰে থাকিলেহে অসম তথা দেশ উন্নত হ’ব। প্ৰতিনিধি সভাত পূৰ্বৰ সমিতি ভংগ কৰি গাজীবৰ ৰহমানক সভাপতি হান্নানুৰ হকক সম্পাদক হিচাপে লৈ ৪১ জনীয়া চৰ পৰিষদৰ সমিতি গঠন কৰা হয়।

# বিজেপিত যোগ দিবলৈ কেজৰিৱালক বিশেষ অফাৰ!

## যিকোনো মুহূৰ্ততে গ্ৰেপ্তাৰ হ'ব পাৰে দিল্লীৰ মুখ্যমন্ত্ৰী

**নতুন দিল্লী, ৪ ফেব্ৰুৱাৰীঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে আজি বিজেপিৰ বিৰুদ্ধে তেওঁক বিজেপিত যোগদানৰ অফাৰ দিয়াৰ অভিযোগ উত্থাপন কৰে৷ আজি এখন সভাত ভাষণ প্ৰদান কৰি অৰবিন্দ কেজৰিৱালে কয় 'বিজেপিয়ে কয়, আপুনি বিজেপিত যোগদান কৰক, আমি আপোনাক মাফ কৰি দিম। মই কৈছিলো যে মই কোনো কাৰণত বিজেপিলৈ নাযাও। বিজেপিত কিয় যোগদান কৰিম? যদি বিজেপিত যোগদান কৰে তেন্তে ক্ষমা কৰি দিয়া হয়৷' দিল্লীৰ কিৰাৰীত চাৰিখন চৰকাৰী বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰি অৰবিন্দ কেজৰিৱালে বিজেপিক এনেদৰে আক্ৰমণ কৰে। অৰবিন্দ কেজৰিৱালে কয় যে তেওঁলোকে মোৰ বিৰুদ্ধে যি ষড়যন্ত্ৰ কৰে কৰক, মোৰ বিৰুদ্ধে একো নাপাব৷ মই মোৰ স্থিতিত অটল৷ মই শিৰনত নকৰো। আমি কি ভুল কাম কৰিছো? বিদ্যালয় নিৰ্মাণ কৰা হৈছে, চিকিৎসালয়, ৰাস্তা নিৰ্মাণ কৰা হৈছে, নৰ্দমা মেৰামতি কৰা হৈছে। মুখ্যমন্ত্ৰী কেজৰিৱালে আৰু কয় যে তেওঁক কাৰাগাৰলৈ প্ৰেৰণ কৰিলেও দিল্লী চৰকাৰৰ উন্নয়নমূলক কাম বিদ্যালয় নিৰ্মাণ আৰু বিনামূলীয়া চিকিৎসা প্ৰদান সেৱা বন্ধ নহয়। মনীষ চিছোদিয়াক কাৰাগাৰত ৰখা হৈছে, কাৰণ তেওঁ বিদ্যালয় নিৰ্মাণ কৰিছে। সত্যেন্দ্ৰ জৈনক কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল, কিয়নো তেওঁ মহল্লা ক্লিনিক নিৰ্মাণ কৰিছিল। প্ৰৱৰ্তন সঞ্চালকালয় আৰু কেন্দ্ৰীয় অনুসন্ধান ব্যুৰোৰ দৰে কেন্দ্ৰীয় সংস্থাক আম আদমী পাৰ্টিৰ নেতাৰ পিছফালে লগাইছে বুলিও কয় কেজৰিৱালে৷ কিছুদিন পূৰ্বে অৰবিন্দ কেজৰিৱালে বিজেপিৰ বিৰুদ্ধে তেওঁৰ দলৰ বিধায়ক ক্ৰয় কৰিব খোজাৰ অভিযোগ আনিছিল৷ তাৰ পাছতে দিল্লী আৰক্ষীৰ অপৰাধ শাখাই অৰবিন্দ কেজৰিৱাল আৰু দিল্লীৰ মন্ত্ৰী আতিশী মাৰ্লিনালৈ জাননী প্ৰেৰণ কৰি অভিযোগৰ উত্তৰ দিবলৈ কয়৷ দিল্লী আৰক্ষীয়ে কয় যে আপোনালোকে গুৰুত্বপূৰ্ণ অপৰাধৰ বিষয়ে উল্লেখ কৰিছো৷ উল্লেখ্য যে, দিল্লী চৰকাৰৰ সুৰা নীতি সন্দৰ্ভত ইডিয়ে আপৰ কেইবাগৰাকী নেতাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছো৷ ঘনিষ্ঠ লোকক ঠিকা দি ব্যক্তিগত লাভ কৰাৰ অভিযোগ আনি কেজৰিৱালৰ দলৰ দুই শীৰ্ষ নেতা মনীষ ছিছোদিয়া আৰু সঞ্জয় সিঙক গ্ৰেপ্তাৰ কৰিছো৷ আনহাতে পঞ্চমখন চমন প্ৰদান কৰি ইডিৰ কাৰ্যালয়ত হাজিৰ হোৱাৰ নিৰ্দেশ দিছে কেজৰিৱালক৷

# মোদী মণিপুৰলৈ কেতিয়া যাব বুলি আকৌ প্ৰশ্ন কংগ্ৰেছৰ

**নতুন দিল্লী, ৪ ফেব্ৰুৱাৰীঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰে৷ হিংসা জৰ্জৰিত মণিপুৰ ভ্ৰমণ নকৰে৷ আজি কথা উল্লেখ কৰিছে কংগ্ৰেছ নেতা পৱন খেৰাই৷ দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী মোদী অসমত থকাৰ সময়তে তীব্ৰ আক্ৰমণ কৰি খেৰাই কয় 'মে' মাহৰ পৰা জ্বলি থকা মণিপুৰ অসমৰ চুবুৰীয়া ৰজ্য৷' এক্সত পৱন খেৰাই গুৱাহাটী আৰু ইম্ফলৰ মাজত উপলব্ধ বিমানযাত্ৰাৰ সূচী স্ক্ৰীণশ্বট পোষ্ট কৰি কয় "মৰমৰ ভাৰতৰ প্ৰধানমন্ত্ৰী। যদি হিমন্তই আপোনাৰ বাবে এখন হেলিকপ্টাৰ বুক কৰিব পাৰিব৷ সেয়েহে কাইলৈৰ গুৱাহাটী আৰু ইম্ফলৰ মাজৰ বিমান যাত্ৰাৰ সূচী দিয়া হৈছে। অনুগ্ৰহ কৰি আমাকো জনাব পাৰে, যদি আমি টিকট বুকিং কৰি দিব লাগে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশেও মণিপুৰ নহয় অসম ভ্ৰমণৰ বাবে প্ৰধানমন্ত্ৰী মোদীক লক্ষ্য কৰি লয়। জয়ৰাম ৰমেশে এক্সত মণিপুৰৰ মুখ্যমন্ত্ৰী এন. বীৰেন সিঙে ৩ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাতৰ বিষয়ে এটা বাতৰি শ্বেয়াৰ কৰি কয় 'মণিপুৰত বিজেপিৰ অনুপস্থিতি এক ভয়ংকৰ অন্যায়। আজিলৈকে ৯ মাহ হ'ল তথাপিও মণিপুৰৰ ওপৰত সম্পূৰ্ণ নীৰৱতা বজাই ৰখা প্ৰধানমন্ত্ৰীৰ সৈতে কোনো বৈঠক নাই। প্ৰধানমন্ত্ৰীয়ে এটা ৰোড শ্ব'ৰ বাবে গুৱাহাটীলৈ যায়৷ কিন্তু ইম্ফললৈ যাব নোৱাৰে আৰু একো নকৰে। মণিপুৰৰ জনসাধাৰণৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ এয়া এক ভয়ংকৰ অন্যায়৷' কংগ্ৰেছে মণিপুৰ ভ্ৰমণ নকৰাৰ বাবে প্ৰধানমন্ত্ৰী মোদীক ধাৰাবাহিক সমালোচনা কৰি আহিছে। ইম্ফলৰ পৰা আৰম্ভ হোৱা ভাৰত জোড়ো ন্যায় যাত্ৰাত ৰাহুল গান্ধীয়ে বাৰে বাৰে বিজেপিয়ে দেশৰ চাৰিওফালে অন্যায় কৰাৰ কথা কৈছিল৷ প্ৰধানমন্ত্ৰী মোদীয়ে দুদিনীয়া অসম ভ্ৰমণ কৰি ১১,০০০ কোটি টকাৰ অধিক মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

শেষ পৃষ্ঠা

# আকৰ্ষণীয় পৰ্যায়ত বিশাখাপত্তনম টেষ্ট

**বিশাখাপত্তনম, ৪ ফেব্ৰুৱাৰীঃ** হাতত সম্পূৰ্ণ দুটা থকা ইংলেণ্ডক বিশাখাপত্তনম টেষ্ট জয়ৰ বাবে আৰু ৩৩২ ৰানৰ প্ৰয়োজন। ইয়াৰ বিপৰীতে ভাৰতক প্ৰয়োজন আৰু নটা উইকেটৰ। ইংলেণ্ডৰ বিৰুদ্ধে খেলা পাঁচখন মেছৰ টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেলৰ প্ৰথম ইনিংছত ১৪৩ ৰানৰ অগ্ৰগতি লোৱা টিম ইণ্ডিয়াই তৃতীয় দিনা ২৫৫ ৰান কৰি দ্বিতীয় ইনিংছ সামৰি আলহী দলটোক ৩৯৯ ৰানৰ লক্ষ্য প্ৰদান কৰে। জয়ৰ লক্ষ্যৰে দ্বিতীয় ইনিংছ আৰম্ভ কৰি ইংলেণ্ড দলে আজি ১৪ অভাৰত এটা উইকেট হেৰুৱাই সংগ্ৰহ কৰিছে ৬৭ ৰান। ইয়াৰ পূৰ্বে শুভমন গিলৰ ১০৪ ৰানৰ শতকীয় ইনিংছৰ সহায়ত ৩৯৮ ৰানৰ অগ্ৰগতি লাভ কৰে টিম ইণ্ডিয়াই। দুটাকৈ দিন হাতত থকা অৱস্থাত টেষ্টখনে আকৰ্ষণীয় ৰূপ ধাৰণ কৰিছে।

# ডেভিছ কাপ
# বিশ্ব গ্ৰুপলৈ ভাৰত

**ইছলামাবাদ, ৪ ফেব্ৰুৱাৰীঃ** পাকিস্তানক ৪-০ ব্যৱধানত পৰাস্ত কৰি ডেভিছ কাপৰ বিশ্ব গ্ৰুপ-১ লৈ উন্নীত হৈছে ভাৰত। উল্লেখ্য যে সুদীৰ্ঘ ৬০ বছৰ পিছত পাকিস্তানৰ মাটিত ডেভিছ কাপৰ মেছত ভাগ লোৱা ভাৰতীয় দলে আটাইকেইখন মেছতে জয় লাভ কৰে। আজি ডব'লছত যুকী ভামব্ৰী আৰু ছাকেথ মেইনানী যুটিয়ে মোজাম্মিল মুৰ্তাজা আৰু আকীল খানক ৬-২ আৰু ৭-৬ ছেটত পৰাস্ত কৰে। ইয়াৰ পিছত ডেভিছ কাপত অভিষেক কৰা নিকী পুনাচাই মোহম্মদ চোৱেইবক ৬-৩, ৬-৪ ছেটত পৰাস্ত কৰি ভাৰতক ৪-০ ব্যৱধানত জয়ী কৰে। উল্লেখ্য যে কালি অনুষ্ঠিত ছিংগলছত ৰামকুমাৰ ৰামনাথনে আইছাম উল হক কুৰেছীক আৰু শ্ৰীৰাম বালাজীয়ে আকীল খানক পৰাস্ত কৰিছিল।



■ খানাপাৰাত অনুষ্ঠিত প্ৰধানমন্ত্ৰী মোদীৰ জনসভাৰ এটি দৃশ্য, দেওবাৰে

# ভাৰতীয় সেনাৰ মানৱীয়তাই জয় কৰিলে দেশবাসীৰ হৃদয়

**অনলাইন ফিচাৰ্ছ, ২ ফেব্ৰুৱাৰী:** দেশমাতৃৰ সেৱাত নিয়োজিত ভাৰতীয় সেনাৰ আন এক মানৱীয়তাই আকৌ এবাৰ জয় কৰিলে দেশবাসীৰ হৃদয়। প্ৰচণ্ড তুষাৰপাতত আবদ্ধ এগৰাকী অন্তঃসত্বা মহিলাক সুকলমে উদ্ধাৰ কৰি হাস্পতাললৈ লৈ যোৱা ভাৰতীয় সেনাৰ এই মানৱীয় কাৰ্যই পুনৰ এবাৰ চৰ্চা লাভ কৰিছে জম্মু-কাশ্মীৰৰ কুপৱাৰাত সংঘটিত হৈছে এই ঘটনা। জানিব পৰা মতে, শনিবাৰে নিশা প্ৰায় ১০.৪০ বজাত প্ৰসৱ বেদনা আৰম্ভ হৈছিল খানবলৰ এগৰাকী অন্তঃসত্বা মহিলাৰ। কিন্তু প্ৰচণ্ড তুষাৰপাতৰ ফলত যোৱা দুদিন ধৰি ভিলগাম-খানবল পথটো আবদ্ধ হৈ পৰাত হাস্পতাললৈ যোৱাটো অসম্ভৱ হৈ পৰিছিল মহিলাগৰাকীৰ বাবে। ইফালে ভিলগাম সেনা শিৱিৰে মহিলাগৰাকীৰ সংকটজনক অৱস্থাৰ কথা জানিব পৰাৰ পিছতে প্ৰচণ্ড তুষাৰপাতক নেওচি মহিলাগৰাকীৰ কাষত উপস্থিত হয় আৰু ষ্ট্ৰেচাৰত উঠাই খোজকাঢ়ি হাস্পতাললৈ ৰাওনা হয়। ভাৰতীয় সেনা জোৱানৰ এই উদ্ধাৰ অভিযানৰ এটা ভিডিঅ' সেনাই এক্স হেণ্ডেলযোগে প্ৰকাশ কৰে। দেশবাসীৰ হৃদয় জিনা সেনা জোৱানৰ এই কাৰ্যক প্ৰশংসাৰে উপচাই পেলাইছে নেটিজেনে। উল্লেখ্য যে, পূৰ্বেও বহু প্ৰতিকূল পৰিস্থিতিৰ মাজৰ পৰা অন্তঃসত্বা মহিলাক উদ্ধাৰ কৰিছিল ভাৰতীয় জোৱানসকলে। যোৱা বছৰো ভাৰতীয় সেনা আৰু বায়ুসেনাই কাশ্মীৰৰ কিষাণৱৰৰ পৰা এগৰাকী গৰ্ভৱতী মহিলাক উদ্ধাৰ কৰি জিলা চিকিৎসালয়ত ভৰ্তি কৰাইছিল।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত

বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান